**2023**

ASSAMESE

( Modern Indian Language )

Paper : ASM-CC-3016

**( Prachin Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) বৰগীতবোৰক দেৱেন্দ্ৰনাথ বেজবৰুৱাই কি বিশেষণৰে নামকৰণ কৰিছে?

(খ) 'পাঁচালী' শব্দটো সংস্কৃত ভাষাৰ কোনটো শব্দৰ পৰা আহিছে?

(গ) সুকবি নাৰায়ণদেৱ বিৰচিত গীতপ্ৰধান বৃহৎ কাব্যখনৰ নামটো লিখা।

(ঘ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কবিগৰাকী কোন আছিল?

(ঙ) 'কুমৰ হৰণ' কাব্যত চিত্ৰলেখাই নাৰদক কোন ঠাইত লগ পোৱা বুলি কবিয়ে বৰ্ণনা কৰিছে?

(চ) অংকীয়া নাটত ব্যৱহৃত গদ্যক আলোচকসকলে কি গদ্য বুলি অভিহিত কৰিছে?

(ছ) অংকীয়া নাটত থকা "নিৰন্তৰে হৰি বোল হৰি।" বাক্যটোৰ 'নিৰন্তৰে' শব্দটোৰ অৰ্থ লিখা।

(জ) 'অৰ্জ্জুন ভঞ্জন' নাটৰ মূল ক'ৰ পৰা লোৱা হৈছে?

(ঝ) ভট্টদেৱে 'কথা-ভাগৱত' আৰু 'কথা-গীতা'ৰ উপৰিও আন এখন গ্ৰন্থ গদ্যত ৰচনা কৰিছিল, গ্ৰন্থখনৰ নামটো লিখা।

(ঞ) ৰঘুনাথ মহন্তই ৰচনা কৰা একমাত্ৰ গদ্যপুথিখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "কেশৰ চৰণ সৰোৰুহ কিংকৰ
শংকৰ এহু অভিলাষী॥"
ইয়াত থকা 'কেশৰ' আৰু 'সৰোৰুহ' শব্দ দুটিৰ অৰ্থ লিখা।

(খ) হৰিবৰ বিপ্ৰই ৰচনা কৰা দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(গ) অনন্ত কন্দলী বিৰচিত 'কুমৰ হৰণ' কাব্যৰ দুখন আধাৰ-গ্ৰন্থৰ নাম লিখা।

(ঘ) " 'অৰ্জ্জুন ভঞ্জন' নাটত শ্ৰীকৃষ্ণৰ দ্বৈতৰূপ প্ৰকাশ পাইছে।" এই দ্বৈতৰূপ কি কি, লিখা।

(ঙ) "হে ৰঘু-কুল কমল-দিৱাকৰ, নৰেন্দ্ৰ-বৃন্দ-বন্দিত-চৰণ সৰোজ, উঠহ, উঠহ।" ইয়াত কোনে, কাক উঠিবলৈ অনুৰোধ জনাইছে?

৩। তলৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) ''শত পুত্ৰৱতী যদি পতিহীনা হয়।
তথাপিতো লোকে তাক অভাগী বোলয়॥''
পদফাঁকি প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যত মণিপুৰৰ ৰাজসভাৰ বৰ্ণনা কেনেদৰে চিত্ৰিত হৈছে, লিখা।

(গ) 'কুমৰ হৰণ' কাব্যত কি কি ৰসৰ উদ্ৰেক হৈছে, আলোচনা কৰা।

(ঘ) অংকীয়া নাটৰ ভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) '' 'অৰ্জ্জুন ভঞ্জন' নাটৰ বিষয়বস্তু বিকাশৰ তিনিটা স্তৰ দেখা যায়।'' এই স্তৰ তিনিটা কি কি, আলোচনা কৰা।

(চ) ৰঘুনাথ মহন্ত ৰচিত 'ৰামৰ বন-গমন' পাঠটিৰ আধাৰত কৌশল্যা চৰিত্ৰটি বিশ্লেষণ কৰা।

তলত দিয়া প্ৰশ্নসমূহৰ বহলাই উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) বৰগীত বুলিলে কি বুজা? মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত বৰগীতৰ এটি তুলনামূলক বিচাৰ কৰা।

*অথবা*

(খ) সুকবি নাৰায়ণদেৱৰ পৰিচয় দাঙি ধৰি তেওঁৰ ৰচিত 'অ' কি বেফুলা জাগ অ'' পাঁচালী গীতটোৰ বিষয়বস্তু বিশ্লেষণ কৰা।

৫। (ক) 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্য অনুসৰি অৰ্জ্জুন আৰু বভ্ৰুবাহনৰ মাজত কিয় যুদ্ধ হৈছিল আৰু তাৰ পৰিণতি কি হৈছিল, বুজাই লিখা।

*অথবা*

(খ) 'কুমৰ হৰণ' কাব্যৰ মূল আৰু কবিৰ মৌলিকতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) অংকীয়া নাটত 'সূত্ৰধাৰৰ প্ৰাধান্য' আৰু 'সংগীত-নৃত্যৰ সংযোজন' সম্পৰ্কে একোটিকৈ আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) 'অৰ্জ্জুন ভঞ্জন' নাটত নন্দ আৰু যশোদাৰ চৰিত্ৰ দুটি কেনেৰূপত চিত্ৰিত হৈছে, আলোচনা কৰা।

৭। (ক) কুৰুক্ষেত্ৰ সমৰত অৰ্জ্জুনৰ শোক দূৰ কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণই আত্মাৰ প্ৰকৃতি সম্পৰ্কে কোৱা কথাখিনি তোমাৰ নিজৰ ভাষাত বুজাই লিখা।

*অথবা*

(খ) ৰঘুনাথ মহন্তৰ 'ৰামৰ বন-গমন' পাঠটিৰ কথাখিনি তোমাৰ ভাষাত বুজাই লিখা।

★★★